**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 13-12-2025 **Time :** 1100 Hrs.

0000000000

অহা বছৰৰ এপ্ৰিলৰ পৰা দেশজুৰি ২০২৭ৰ লোকপিয়ল আৰম্ভ হ'ব। কেন্দ্ৰীয় মন্ত্ৰীসভাই ইয়াৰ বাবে ১১ হাজাৰ ৭১৮ কোটি টকাৰ বাজেটত অনুমোদন জনাইছে। ২০২৭ চনৰ ফেব্ৰুৱাৰী পৰ্যন্ত চলিবলগীয়া এই লোকপিয়ল দুটা পৰ্যায়ত হ'ব। এয়া হ'ব দেশৰ যোড়শ আৰু স্বাধীনোত্তৰ ভাৰতৰ অষ্টম লোকপিয়ল। কেন্দ্ৰীয় মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কালি কেন্দ্ৰীয় মন্ত্ৰীসভাৰ বৈঠকৰ পাছত এখন সংবাদমেলত এই কথা প্ৰকাশ কৰি কয়, যে এই লোকপিয়লত সামাজিক অৱস্থা আৰু জাতিগত গণনাকে ধৰি জনসংখ্যা আৰু গৃহ পিয়ল অন্তৰ্ভুক্ত হ'ব। দেশত প্ৰথমবাৰৰ বাবে এইবাৰ সম্পূৰ্ণ ডিজিটেল প্ৰক্ৰিয়াৰে লোকপিয়ল হ'ব বুলি উল্লেখ কৰি শ্ৰীবৈষ্ণৱে কয়, যে এণ্ড্ৰইদ আৰু আই অ' এছত উপলভ্য মোবাইল এপৰ জৰিয়তে তথ্যসমূহ সংগ্ৰহ কৰা হ'ব। এই সমগ্ৰ প্ৰক্ৰিয়াটোত ৩০ লাখ কৰ্মচাৰীক নিয়োজিত কৰা হ'ব বুলি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

oooooooo

ছটা জনগোষ্ঠীৰ জনজাতিকৰণৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰিবলৈ আহি জনজাতীয় শিক্ষাৰ্থীয়ে বি টি চি সচিবালয় আক্ৰমণৰ ঘটনাৰ ন্যায়িক তদন্ত কৰা হ'ব বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ঘোষণা কৰিছে। কালি বি টি আৰত অৰুণোদয় আঁচনিৰ তৃতীয় পৰ্যায়ৰ শুভাৰম্ভ অনুষ্ঠানত অংশগ্ৰহণৰ পাছত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অৱসৰপ্ৰাপ্ত ন্যায়াধীশ হীৰেন্দ্ৰ নাথ শৰ্মাৰ দ্বাৰা সমগ্ৰ ঘটনাৰ ন্যায়িক তদন্ত কৰা হ'ব। তেওঁ এই ঘটনাক অপ্ৰীতিকৰ বুলি উল্লেখ কৰি তদন্তৰ জৰিয়তে এই ঘটনাৰ আঁৰত থকা সকলক চিনাক্ত কৰা হ'ব বুলি প্ৰকাশ কৰে।

বাইট

ooooooo

গোৱালপাৰা চহৰৰ নতুন বজাৰত যোৱানিশা আৰক্ষীয়ে অভিযান চলাই বুজন পৰিমাণৰ ভাংসহ এজন যুৱকক আটক কৰে। গোৱালপাৰা চহৰ আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া ব্ৰজেন মেধিৰ নেতৃত্বত আৰক্ষীয়ে নতুন বজাৰত অভিযান চলাই যান-বাহন আৰক্ষীৰ নীৰিক্ষণ কক্ষৰ সমীপৰ পৰাই যুৱকজনক আটক কৰে। ধৃত যুৱকজন মেঘালয়ৰ উত্তৰ গাৰোপাহাৰ জিলাৰ ছিংচাং মমিন বুলি আৰক্ষীয়ে জনাইছে। আৰক্ষীয়ে মমিনৰ পৰা ৫ কিলোগ্ৰামৰো অধিক ভাং জব্দ কৰে।

ইপিনে, দৰং জিলাৰ ধূলাত ১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত যোৱানিশা আৰক্ষীয়ে নিয়মীয়া তালাচীৰ সময়ত ৰৌতাৰ পৰা গুৱাহাটী অভিমুখে আহি থকা এখন বাহনৰ পৰা ৫৪ কিলোগ্ৰামৰো অধিক ভাং জব্দ কৰে। ভাংখিনি ১১ টা বেগত লুকুৱাই অনা হৈছিল। ঘটনা সংক্ৰান্তত আৰক্ষীয়ে ওদালগুৰি জিলাৰ সৰ্বহেৰুওৱা গাঁৱৰ শৰ্মা বড়ো আৰু নৱাবৰ বড়ো নামৰ দুজন লোকক আটক কৰিছে।

ooooooo

ধুবুৰী জিলাৰ গৌৰীপুৰ থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া জ্যোতিপ্ৰসাদ দাসক কালি RESERVE CLOSE কৰা হয়। বিষয়াগৰাকীৰ বিৰুদ্ধে জনগোষ্ঠীয় লোকক হাৰাশাস্তি কৰি দোষীক ৰক্ষণাবেক্ষণ দিয়াৰ অভিযোগ উত্থাপন হৈছিল। ইয়াৰ পূৰ্বতেও তামাৰহাট থানাত কৰ্তব্যৰত বিষয়াগৰাকীৰ বিৰুদ্ধে একেধৰণৰ অভিযোগ উত্থাপিত হৈছিল। ধুবুৰী জিলা দেশী জনগোষ্ঠী মৰ্চা, অসম দেশী যুৱ-ছাত্ৰ মঞ্চৰ ধেমাজি জিলা সমিতিয়ে আৰক্ষী বিষয়াগৰাকীৰ বিৰুদ্ধে প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰাৰ পাছত কালি জ্যেষ্ঠ আৰক্ষী অধীক্ষকে বিষয়াগৰাকীক RESERVE CLOSE কৰে।

০০০০০০০

মঙলদৈৰ গান্ধী ময়দানত কালিৰেপৰা অসম প্ৰকাশন পৰিষদ আৰু সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাই আয়োজন কৰা অসম গ্ৰন্থমেলা অনুষ্ঠিত হৈছে। কালিৰ উদ্বোধনী অনুষ্ঠানত নগাঁও বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ডং হিতেশ ডেকা বিশিষ্ট সাহিত্যিক ইদ্ৰিছ আলীকে ধৰি প্ৰকাশন পৰিষদ আৰু পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাৰ বিষয়ববীয়াসকল উপস্থিত থাকে। ডং হিতেশ ডেকাই তেওঁৰ ভাষণত কয়, যে অসমত গ্ৰন্থ আন্দোলনে পঢ়ুৱৈৰ মাজত আশাৰ পৰিৱেশ সৃষ্টি কৰিছে। চলিত বৰ্ষতো ৰাজ্য চৰকাৰে গ্ৰন্থ বৰ্ষ বুলি ঘোষণা কৰি গ্ৰন্থ সংস্কৃতি গঢ়ি তুলিবলৈ কৰা প্ৰয়াস সদায় স্মৰণীয় হৈ ৰ'ব বুলি তেওঁ মন্তব্য কৰে।

০০০০০০০

আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ দৃষ্টিপাত অনুষ্ঠানত আজি নিশা ৮ বাজি ২ মিনিটত শিশুৰ বিকাশ আৰু মহিলাৰ উন্নয়নৰ ক্ষেত্ৰত চৰকাৰী কাৰ্যসূচী সন্দৰ্ভত এটি আলোচনা প্ৰচাৰ কৰা হ'ব। আলোচনাত ভাগ ল'ব শিশু বিকাশ প্ৰকল্পৰ ছিপাঝাৰৰ প্ৰকল্প বিষয়া প্ৰণীতা তালুকদাৰ আৰু ৰামপুৰ শিশু বিকাশ প্ৰকল্পৰ প্ৰকল্প বিষয়া গীতা দেৱীয়ে। অনুষ্ঠানটিৰ আঁত ধৰিব জিণ্টীৰাণী ডেকাই। অনুষ্ঠানটিৰ পৰিকল্পনা আৰু প্ৰযোজনা ৰাজীৱ লোচন বৰঠাকুৰৰ আৰু প্ৰযোজনা সহযোগী আমিনুল ইছলাম।

০০০০০০০

**সমাপ্ত**